তাৰ পিচত নিবনুৱা সমস্যাৰ কথা কোৱা হৈছে, কিন্তু এই ক্ষেত্ৰত যিজন মাননীয় সদস্যাই চৰকাৰক দোষাৰোপ কৰিছে তেখেতে নিজেই কওক চোন যোৱা ৩ বছৰৰ ভিতৰত তেওঁ কিমান জন এলপি স্কুলৰ শিক্ষকক নিযুক্তি দিবলৈ সক্ষম হৈছে ? প্ৰাথমিক স্কুলৰ বিৰোধী পক্ষ্যই এইটো কথা বিচাৰে নেকি যে অসমত যিমানবিলাক লৰাছোৱালী স্কুল কলেজৰ পৰা ওলাই আছে সেই সকলোৱে চাকৰি কৰক আৰু প্ৰশাসনীয় যন্ত্ৰটোত সোমাই পৰক ? আজি এই ভয়ংকৰ নিবনুৱা সমস্যা চাকৰিৰ দ্বাৰা যে সমাধান কৰিব পৰা যাব সেইটো নহয়, এই সমস্যাটো আন প্ৰকাৰেও সমাধান কৰাৰ কাৰণে চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি প্ৰস্তুত কৰি আছে। সেই কাৰণেই আজি আমাৰ ৰাজ্যত কৰ্ম্ম মুখি শিক্ষা দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত কৰ্ম্মমুখি শিক্ষা দিয়াৰ কথা চিন্তা কৰাৰ কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয় আৰু শিক্ষা মন্ত্ৰীৰ শলাগ লৈছো। তাৰোপৰি ইউনিচেফৰ জৰীয়তে প্ৰাথমিক আৰু মাধ্যমিক স্তৰত বিজ্ঞানৰ শিক্ষা দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। আৰু এটা বিশেষ মনকৰাৰ লগীয়া কথা যে চাহবনুৱা সকলৰ মাজতো সমূহীয়া শিক্ষাৰ ব্যৱস্থা কৰা হৈছে।

কৰ্ম্মভিত্তিক আচনি গ্ৰহণ কৰি হাইস্কুল বিলাকত যাতে কৰ্ম্মমুখী শিক্ষা দিব পৰা যায় তাৰ কাৰণে যি ব্যৱস্থা আজি আমাৰ চৰকাৰে গ্ৰহণ কৰিছে সেইটো ইয়াৰ আগতে কেতিয়াও কৰা হোৱা নাছিল। ইয়াৰ

কাৰণে আমাৰ শিক্ষা মন্ত্ৰী মহোদয় আৰু চৰকাৰক ধন্যবাদ দিছোঁ।

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে গতানুগতিক ভাৱে ৰাজ্য শাসন কৰিবলৈ লোৱা নাই। ধাৰৰ বোজা মূৰত লৈয়েই এই চৰকাৰ আৰু আমি শপত গ্ৰহণ কৰিছিলো আৰু আজি সেই ধাৰৰ বোজা কমি কমি প্ৰায় শেষ বিন্দুত পৰিছেগৈ। ৰাজ্যিক চৰকাৰৰ কৰ্ম্মচাৰী সকলকো বেতন বঢ়াই দিব লাগিব আৰু আমাৰ দৰিদ্ৰতাও দূৰীকৰণ কৰিব লাগিব। আজি আমি দাৰিদ্ৰতা দূৰীকৰণ কৰাটোৱেই আমাৰ মুখ্য কাৰ্য্য বুলি ধৰি লৈছোঁ। আজি আমাৰ ৰাজ্যখনৰ শতকৰা ৭৫ ভাগ মানুহেই দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত। আজি যিবিলাক কাৰ্য্য ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা লোৱা হৈছে সেইবিলাক কৰা হৈছে এই উদ্দেশ্য লৈয়েই যে, এই দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা মানুহখিনি যাতে উপকৃত হব পাৰে।

শ্ৰীহৰলাল চন্দ্ৰ বৰুৱা :— সেইটো হৈছে জানো ? মানুহ দেখোন মৰিয়েই আছে।

শ্ৰীঅযোধ্যাৰাম দাস : – মানুহ মৰা কথাটো কোনে অস্বীকাৰ কৰিব। জন্মিলে মানুহ মৰিবই লাগিব। বৃটিশৰ যুগতো হাজাৰে বিজাৰে মানুহ মৰিছিল। মই এটা কথাই আজি সদনৰ দৃষ্টি গোচৰ কৰিছোঁ যে, আজি ৰাজ্যখনত এক বেলেগ ধৰণৰ বাতাবৰণৰ সৃষ্টি কৰা হৈছে। ৰাজ্যখনৰ অৰ্থনৈতিক গাঠনিটো বিকেন্দ্ৰীকৰণ কৰা হৈছে। আজি পূজিঁপতিৰ পৰা ধন লৈ নিৰ্ব্বাচনত জিকাৰ কাৰণে এই চৰকাৰক নানান সমালোচনা কৰা হৈছে। কিন্তু যিসকলে আজি দোষাৰোপ কৰিছে সেই সকলেই আকৌ পূজিপঁতিৰ বিৰোদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিলে তাক খৰ্ব্ব কৰিবলৈ যত্ন কৰিছে। এইটোৱে ইয়াকে প্ৰমাণ নকৰেনেযে, সমালোচনা কৰা লোক সকলেই পূজিপতিকো সমৰ্থন কৰিছে ? অৰ্থনৈতিক ব্যৱস্থাটো আজি সম্পূৰ্ণ ৰূপে বিকেন্দ্ৰীকৰণ কৰা হৈছে। পূজিপতি সকলৰ হাতৰ পৰা অৰ্থনৈতিক ক্ষমতা কাঢ়ি আনি দাৰিদ্ৰৰ সীমাৰেখাৰ তলত থকা সকলৰ হাততেই সম্পূৰ্ণভাৱে অৰ্থনৈতিক ক্ষমতাটো দিয়াৰ কাৰণে যত্ন কৰা হৈছে। তাৰ কাৰণেই গোটেই অসম খনকে আজি ৬৬৩ টা ভাগত ভাগ কৰি তাৰ গৰাকী কৰা হৈছে সহজ সৰল দাৰিদ্ৰৰ সীমাৰেখাৰ তলত থকা লোকসকলক। তেখেত সকলক অনুপ্ৰেৰণা যোগাই

যিমানেই আমি তেখেত সকলক শক্তিশালী কৰিব পাৰিম তিমানেই আমি পূজি-পতি শক্তিটোও ধ্বংস কৰিব পাৰিম। এই ক্ষেত্রত আৰু অত্যুক্তি নকৰি এই গোট বিলাক শক্তিশালী কৰাৰ কাৰণে আমি জোৰ দিব লাগিব। তেতিয়া হলেহে, চৰকাৰে গ্রহণ কৰা কাৰ্য্য প্রণালীৰ দ্বাৰা প্রকৃত উপকৃত হব পৰা যাব। তাৰোপৰি আমাৰ মাননীয় মুখ্য মন্ত্রী মহোদয়েও কৈছে যে, আমাৰ প্রশাসনিক গাঠনিটোও ধাৰাবাহিক ভাৱে ৰখা নহয়। সেই ধাৰাবাহিকতাত বাধা আৰোপ কৰা হৈছে। দেশ দেশকৈয়ে আজি অৰ্থনৈতিক গাঠনিটো ভাঙি টুকুৰা টুকুৰী কৰি দিয়া হৈছে, বিকেন্দ্রীকৰণ কৰি দিয়া হৈছে, সেই দৰে প্রশাসনীয় গাঠনিটোও বিকেন্দ্রীকৰণ কৰাৰ কাৰণে আজি আমাৰ চৰ-কাৰ যত্ন পৰ হৈছে আৰু চেষ্টা কৰিছে। সেই কাৰণেই পঞ্চায়তী ৰাজ-কৰা হৈছে। আজি তিনিবছৰৰ ভিতৰতে যিটো পৰিবৰ্ত্তন হৈছে সেইটোও কোনো গুণে কম পৰিবৰ্ত্তন নহয়। মই আমাৰ মাননীয় সদস্য সকলকো কৈছো যে, এটা অৱস্থাৰ পৰা যেতিয়া আন এটা অৱস্থালৈ যোৱা হয় তেতিয়া তাৰ মাজ ডোখৰৰ এই সময়খিনি অতি ভয়ানক। আমাৰো আজি সেই একে অৱস্থাই হৈছে। কিয়নো আমি এটা অৱস্থাৰ পৰা আন এটা অৱস্থালৈ ধাৱমান হৈছোঁ। ইয়াৰ কাৰণে এই সময় ছোৱাত কি সমাজতেই হওঁক বা আমাৰ সদনতেই হওঁক ইয়াৰ এটা প্রতিকাৰ হবই হব। সমাজত এই ব্যৱস্থা প্রৱৰ্ত্তন কৰিবলৈ যাওঁতে সমাজৰ যি সকলৰ গাত আচোৰ লাগিছে সেই সকলৰো প্রতিক্রিয়া হব আৰু সেইদৰে আমাৰ সদনতো এই পৰিবৰ্ত্তন সাধিবলৈ যাওঁতে যিসকলৰ ওপৰত আচোৰ পৰিছে বা পৰিব সেই সকলৰো প্রতিক্রিয়া হোৱাটো স্বাভাৱিক।

Shri DULAL CH. BARUA :— Sir we are taking exception to it.

শ্ৰীঅযোধ্যাৰাম দাস :—মোক কৈ শেষ কৰিবলৈ দিয়ক। মই কৈ শেষ কৰাই নাই।

মাননীয় অধ্যক্ষ :— আপুনি মোৰ ফালে চাই কৈ যাওঁক।

শ্ৰীঅযোধ্যাৰাম দাস :— প্রতিক্রিয়া হবই আৰু প্রতিক্রিয়া হোৱাটোৱেই

স্বাভাৱিক। মাজে সময়ে এনেকুৱা প্ৰতিকূল-প্ৰতিক্ৰিয়াৰ সন্মুখীন হবই লাগিব আৰু সেই প্ৰতিকূল-প্ৰতিক্ৰিয়াকো আমি সাহসেৰে সন্মুখীন হৈ অতিক্ৰম কৰিব পাৰিব লাগিব। আজি আমাৰ এটা অৱস্থাৰ পৰা আন এটা অৱস্থালৈ ধাৱমান হোৱাৰ সময়ত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সেইটোৰ বিৰুদ্ধে যুদ্ধ কৰি তাত কৃতকাৰ্য হবলৈ চেষ্টা কৰিছোঁ। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলেও সহযোগ কৰা নিতান্তই দৰ্কাৰ। চৰকাৰে এই ক্ষেত্ৰত লোৱা উন্নয়নমূলক আচনিবিলাকৰ কাৰণে ধন্যবাদ দিছোঁ। আৰু এটা কথাৰ কাৰণে আমাৰ চৰকাৰৰ শলাগ লৈছোঁ। সেইটো হৈছে যে, আমাৰ সমাজৰ দাৰিদ্ৰৰ সীমা ৰেখাৰ তলত থকা ৭৫ ভাগ মানুহৰ বেছি ভাগ মানুহেই হৈছে চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইব আৰু অ, বি, চি গ্ৰুপৰ মানুহ। এই কেইটা শ্ৰেণীৰ মানুহেই সমাজৰ একেবাৰেই নিম্নস্তৰৰ লোক। এই নিম্নস্তৰৰ মানুহখিনিৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে তিনিটা উন্নয়ন নিগম গঠন কৰা হৈছে বুলি এই বাজেটৰ জৰিয়তেই আমাৰ সদনক জানিবলৈ দিছে। এই ব্যৱস্থাটোৰ কাৰণে আজি বহুত দিনৰ পৰাই দাবী আদি উত্থাপন কৰি অহা হৈছিল আৰু নানা মেল-মিটিং আদিতো এই বিষয়ে আলোচনা আদি হৈছিল। আমাৰ মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীয়ে ইয়াৰ কাৰণে বিত্তৰ আবণ্টন কৰিবলৈ কৰা চেষ্টাৰ কাৰণেও আমি তেখেতৰ শলাগ লৈছোঁ আৰু বৰ সুখী হৈছোঁ। আশাকৰো, এই তিনিটা নিগমৰ জৰিয়তে অধিক উন্নয়ণমূলক পথ বাচি লবলৈ আমাৰ সমাজৰ নিম্নস্তৰৰ লোকসকলক অনুপ্ৰাণিত কৰিব। মোৰ বক্তৃতাত সদনৰ বহুত সময় লোৱাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত ক্ষমা বিচাৰিছোঁ। এটা পৰিস্থিতিৰ পৰা আন এটা পৰিস্থিতিলৈ যোৱাৰ এই সংকতময় পৰিস্থিতিৰ সময়ত জটিল ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাত ১০ লাখ৪২ হেজাৰ টকাৰ ৰাহি বাজেট এখন চৰকাৰে উত্থাপন কৰিছে যি বাজেটত কোনো কৰৰ বোজা জাপি দিয়া নাই। এই বাজেটত অসমৰ অৰ্থনৈতিক জীৱনক নতুন ভাৱে গঢ়াৰ কাৰণে চেষ্টা কৰা হৈছে। সেই কাৰণেই এনে এখন পূৰ্ণাঙ্গ বাজেত উত্থাপন কৰাৰ কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় তথা আমাৰ বিত্তমন্ত্ৰীৰ শলাগ লৈ মোৰ বক্তৃতাৰ সামৰণী মাৰিলো।

শ্ৰীসোনেশ্বৰ বৰা ঃ—মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি অসমৰ মুখ্যমন্ত্ৰীয়ে

বিত্তমন্ত্ৰীৰ ভাগত অসমৰ কাৰণে যিখন বাজেট প্ৰস্তুত কৰিলে, সেইখন পঢ়ি চালো আৰু বক্তৃতাও শুনিলো, অৱশ্যে মোৰ মাত্ৰ ধাৰণা হল যে, এইখন এজন অকৰা মানুহে কৰা বাজেট! আমাৰ এষাৰ কথা আছে ঋণ কৰিও ঘি খোৱা। বাজেটত ঋণো নাই ঘীও নাই। (হাঁহি)

এই বাজেটত ঘী খোৱা দূৰৰ কথা অসমৰ সৰ্বসাধাৰণৰ কোনো পথ্যে এমুঠি খুওৱাবো দিহা নাই। তেনেস্থলত আমাৰ শ্ৰীঅযোধ্যা দাসে বাজেটখনৰ ক'তনো কি সুখ পালে কব নোৱাৰো, হয়তো তেখেতৰ কিবা সুখৰ কাৰণ আছে। কিন্তু মোৰ বোধেৰে অকল মন্ত্ৰীকেইজনক আৰু এম, অল, এ কেইজনক আৰু বেপাৰীকেইজনক সুখ দিয়াই বাজেটৰ কাম নহয়। বাজেটৰ মুখ্য উদ্দেশ্য হব লাগিব জনসাধাৰণক সুখ দিয়া। আজি এই অসমখন ৬ খন অসমত ফটাৰ পিছত ভেকুলী মূৰৰ দৰে অসমখন হৈছে আৰু এনে অসমখনত শাসন কৰাৰ কাৰণে মন্ত্ৰীৰ সীমা বাঢ়ি অসীম হল কিন্তু এই মুখ্যমন্ত্ৰী শ্ৰীশৰত সিংহই গাদী লোৱা সময়ৰে পৰা ৰাইজৰ আগত প্ৰতিশ্ৰুতি দিছিল যে, শাসনৰ কাৰণে তেওঁ কেতিয়াও মন্ত্ৰী সভাৰ সম্প্ৰসাৰণ নকৰে। সেই প্ৰতিশ্ৰুতি অচিৰে তেওঁ ভংগ কৰিলে। অকল সেয়ে নহয়, নিৰ্ব্বাচনৰ সময়ত দিয়া প্ৰত্যেকটো প্ৰতিশ্ৰুতিয়েই তেওঁ ভংগ কৰি আহিছে তাৰ প্ৰমাণ স্বৰূপে তেওঁৰ দলৰে যুৱক কংগ্ৰেছৰ কংগ্ৰেছী সকলোকে সোধক। তেওঁলোকে ধাৰাসাৰে এই কথা ব্যক্ত কৰি আহিছে। আৰু এই কথা বিলাক লৈয়েই বিহলঙনিয়ে জাৰিছে আৰু সেইবিলাক লুটিয়াই চালেই তেওঁলোকৰ প্ৰতিশ্ৰুতি ভালকৈ ভংগৰ গম পাব। মহোদয়, মোৰ মনত দুখ এই যে: মুখ্য মন্ত্ৰীৰ বাজেটখন বিত্তনীতিৰ বিগহিত। আমি বজাৰলৈ যাওঁ টকা পইচালৈ নোচোৱাকৈ সিদিনা বজাৰত যি পাৰিলো খৰচ কৰিলো আহিও কিমান খৰচ কৰিলো চোৱা নাই। পিছদিনা বজাৰলৈ গৈ দেখো যে জেপত পইচা নাই। বৰ্ত্তমান বাজটৰ অৱস্থা তথৈবচ। যিখন বাজেটত উৎপাদন নাই, খৰচ কৰাৰ ব্যৱস্থা নাই, উন্নয়নৰ কোনো ব্যৱস্থা নাই সেই বাজেটখন ৰাহি বাজেট হওক বা ঘাটি বাজেট হওক তাৰ কাৰণে আত্মতৃপ্তি প্ৰকাশ কৰাৰ কাৰণ নাই। চলিহা মুখ্যমন্ত্ৰী থাকোতে এবাৰ ৰাহি বাজেট কৰি বাহ বাঃ লৈছিল। এইবাৰ সিংহ মন্ত্ৰীয়ে এখন

ৰাহি বাজেট দেখুৱাই বাহ বাহ লৈছে যি বাজেটত উপাৰ্জন, উন্নয়ন আৰু উৎপাদনৰ কোনো পথ নাই। গতিকে এই বাজেটখন পৰ্য্যবেক্ষণ কৰাৰ কোনো কথা নাই। সৰুতে পঢ়িছিলো, বিন্দুৰ স্থিতি আছে পৰিমাণ নাই। আমাৰ সিংহ ডাঙৰীয়াৰ বাজেটতো কোনোমতে স্থিতি আছে পৰিমাণ নাই।

'চাহ বাগিছাৰ প্ৰাক্তন বনুৱা আৰু প্ৰাপ্তবয়স্ক বনুৱাসকলৰ মাজৰে পৰা নিৰক্ষৰতা দুৰীকৰণৰ বাবে চাহবাগিছাবোৰত শিক্ষা অভিযান চলোৱা কথা চৰকাৰৰ বিবেচনাধীন।'

স্বাধীনতাৰ ২৭ বছৰৰ পিছত চাহবনুৱাসকলৰ উন্নয়নৰ কাৰণে মাত্ৰ বিবেচনা হৈছে। মোমাই মৰক ভুতো যাওক। (হাঁহি)

ইয়াত চৰকাৰী চাকৰিয়ালৰ দৰমহাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা নাই মই অৱশ্যে অযোধ্যা দাসৰ বক্তৃতাৰ ওপৰতেই কৈছো। ইয়াত যিখিনি ব্যৱস্থা আছে এনে কি উৎপাদনৰ সকলো বস্তুৰেই আনি মন্ত্ৰীসকলক দিয়ক বা এম, এল, এ সকলক দিয়ক সেইটো মোৰ কথা নহয়। মোৰ কথা হৈছে এটা মৰগীয়া বানচৰ কথা উঠিছে। এই কথা মই আগতেও কৈছো। অৱশ্যে মৰগীয়া বানচ দিয়াত মোৰ কোনো আপত্তি নাই। বস্তুৰ দাম বেছি হলেই মৰগীয়া বানচ দিয়ে কিন্তু এই মুখ্যমন্ত্ৰী শৰত সিংহই এবাৰ প্ৰকাশ কৰিছে যে, অন্যান্য ৰাজ্যতকৈ অসমৰ জনসাধাৰণে কম মুল্যতে সামগ্ৰী পাই আছে কিন্তু সেই একে শৰত সিংহই কেইদিনমান পিচতে বাজেট বক্তৃতাত প্ৰকাশ কৰিছে যে আন ঠাইতকৈ অসমত বস্তুৰ দাম বেছি। গতিকে এই মুখ্যমন্ত্ৰীৰ উক্তি অসমৰ জনসাধাৰণে কেনেকৈ বিশ্বাস কৰিব। তাৰ পিছত যেনিবা এটা পৰিয়ালৰ এজন মানুহেহে চাকৰি কৰে আৰু অন্য এটা পৰিয়ালৰ গিৰীয়েকেও ৭০০ টকা পায় ঘৈনীয়েকেও ৭০০ টকা পায়, কিন্তু মৰগীয়া বানচৰ ক্ষেত্ৰত এজনে চাকৰি কৰা পৰিয়ালটোৱে হয়তো ২০ টকা পালে আৰু অন্য পৰিয়ালটোত ৪০ টকা গল, গতিকে তেনেক্ষেত্ৰত আৰ্থিক বিষয়ত এটা বৈশম্য নহলনে? মই কৈছো যে, এজন মানুহে হয়তো অকল চাকৰীৰ ওপৰতে নিৰ্ভৰ কৰে আৰু অন্য এজনে চাকৰী কৰাৰ ওপৰিও চাহ বাগিচাৰো চেয়াৰ আছে, তেলতীয়া বাণিজ্য ব্যৱসায় আদিও আছে এনে বিলাক ক্ষেত্ৰত এই মৰগীয়া

বানচৰ বিবেচনা নীতিগত হব লাগে। অৰ্থাত মোৰ উদ্দেশ্য হৈছে এটা সমবিতৰণৰ ব্যৱস্থা হব লাগে ।

আজি বিত্তিয় ব্যৱস্থাৰ এটা নীতি গ্ৰহণ কৰিব নোৱাৰিলে কেৱল চাকৰীয়ালৰ কাৰণেই মৰগীয়া বানচৰ কোনো অৰ্থ হব নোৱাৰে। আজি প্ৰতি জন লোকৰ বাবে তেওঁ চাকৰীয়ালেই হওক বা অন্যান্যই হওক এটা বিত্তিয় নীতি হব লাগিব। আজি মুদ্ৰাস্ফিতিৰ কথা আহিছে, কিয় আহিছে ? যেতিয়া পৰিকল্পনাৰ কাৰণে চাৰে বাৰ হেজাৰ কোটি টকাৰ নোট ছাপা কৰিলে তেতিয়াই মুদ্ৰাস্ফিতি আৰম্ভ হল অৰ্থাত যেতিয়া অতিৰিক্ত টকা কাগজৰ নোট ছপা হল তেতিয়াই মূল্য কমি গল। এতিয়া ৰোধ কৰিব নোৱাৰে আৰু কৰিবলৈ চেষ্টা কৰাৰ আগতে সমূদায় ধন নাকচ কৰিব লাগিব অৰ্থাত নতুনকৈ আৰম্ভ কৰিব লাগিব। আজি সকলোৱেই ধনৰ সমান ভাগ পাব লাগিব। এইটো কৰিবলৈ চৰকাৰ ৰাজি হয় জানো, যদি নহয় তেনেহলে অনন্ত কাল এইটো থাকি যাব।

অধ্যক্ষ মহোদয় যদি সমাজবাদৰ কথা কয় তেনেহলে ধনৰ সমতাৰ কথা সম্পদৰ সমতাৰ কথা আহি পৰে। কিন্তু আমাৰ চৰকাৰ ৰাজি হব জানো। নিৰ্বাচনৰ কাৰণে সকলোৱে ধন বিচাৰে কিন্তু সকলোকে বা সকলোৱে ধন পাব নোৱাৰে। আজি হাজি মোস্তানৰ কথা সকলোৱে জানে। বম্বেৰ পৰা তুবাইলৈ যাবলৈ যেতিয়া তেওঁ পাচপৰ্ট বিচাৰি বিফল মনোৰথ হৈ বম্বেৰ বাটে বাটে ঘুৰি ফুৰিছিল তেতিয়া মহাৰাষ্ট্ৰৰ ৰাজ্যপালৰ এখন ব্যক্তিগত চিঠিৰ বলতহে তেওঁ পাচপৰ্ট পালে আৰু সেই দিনাৰ পৰা তেওঁৰ ভাগ্যৰবি উদয় হল। তুবাইৰ লগত কাৰবাৰ কৰি আজি হাজি মোস্তানৰ ৭ খন জাহাজ আছে ৩ কোটি টকীয়া হোটেল আছে যত খোৱা-বোৱাৰ উপৰিও খেলাধূলা নাদোৰা সাতোৰা সকলো আধুনিক ব্যৱস্থা আছে। সেই হাজি মোস্তানে

মিঃ স্পীকাৰ :— বাজেট আলোচনাৰ মাজত ৰাজ্যপাল এজনক অনা ভাল নহয়।

শ্ৰীসোনেশ্বৰ বৰা ঃ— ভাল বাৰু নানো: সেই হাজি মোস্তানে মহাৰাষ্ট্ৰ কংগ্ৰেছক ১ কোটি আৰু উত্তৰ প্ৰদেশ নিৰ্বাচনত ৩ কোটি টকা দিছিল। এই কথা তেওঁ নিজে কৈছে। অথচ আমি বৰপেটা নিৰ্বাচনৰ বাবে যাবলৈ ৫ টকাৰ

টিকট এটা কিনিবলৈ সহায় নেপাও। আজি ধনৰ সম বিতৰণ নহলে বাহি বাজেটেই হওক বা ঘাটি বাজেটেই হওক তাৰ পৰা সাধাৰণ মানুহৰ কোনো লাভলাভ নাই। আজি ধনৰ নিয়ন্ত্ৰন কৰিব লগা হৈছে। উপাৰ্জনৰ সীমা নিৰ্দ্ধাৰণ কৰা অৱশ্যে সহজ নহয় কিন্তু মই ভাবো খৰছৰ সীমা নিৰ্দ্ধাৰণ কৰিবই লাগিব। তাকে কৰিব পাৰিলে অন্ততঃ চোৰাং ধন ৰোধ হব।

অধ্যক্ষ মহোদয় আজি আমাৰ দেশত আছে কি ? নাই নিৰাপত্তা অৰ্থাৎ থকা এদোখৰ ঘৰ। ভগবানৰ সৃষ্টিত মানুহ থাকিবলৈ অন্ততঃ এদোখৰ চালি লাগে আৰু সেই চালিখন সাজিবলৈকে লাগে এদোখৰ মাটি। মানুহজন হিন্দুৱেই হওক মুছমান হওক অনুসূচিত হওক জনজাতি হওক খৃষ্টান হওক সেইটোৰ বিচাৰ হব নোৱাৰে। মই সংবিধানৰ এই ২৭৫ দফাটো ফালি চিৰি পেলাম যেতিয়াই সুবিধা পাম। সংবিধানত কৈছে গান্ধীজয়ন্তীত কৈছে অনুসূচিত জাতিক মাটি দিব লাগে। মই চৰকাৰক সুধিব খোজো আনবিলাকক কিয় দিব নেলাগে বা পাব নেলাগে ? মানুহ উপাজলে যলৈ আহে মাৰলেও তাতে জাহ যায়। গতিকে থাকিবলৈ অন্ততঃ একঠা মাটি পাব লাগিব। অসমৰ চাহ বাগিছাত 8 লাখ ৯২ হেজাৰ বনুৱাই বাস কৰে। তাৰে 8 লাখ সাবালক বনুৱাৰ কৰবাত একঠা মাটি আছেনে ? কিন্তু পাকিস্তানৰ পৰা ভাগি অহা ভগনীয়া বোৰক মাটি-বাৰী টকা-পয়ছা সকলো দি দেৱতা পূজা কৰাদি কৰিছিল। কিয় সেই পক্ষপাতিত্বা কৰিব লাগে। থলৰ বনুৱা জন বোকাৰ আৰু ভগনীয়া জন কোলাৰ কেনেকৈ আৰু কিয় হল ? আজি 8 লাখ বনুৱাৰ পৃথিবীত ঠিয় হবলৈ এচিকটা মাটি নাই অথচ পাকিস্তানৰ ভগনীয়া হিন্দুৱেই হওক বা মুছলমান হওক ইয়াত বসতি কৰাওতে যি খৰছ হৈছিল তাৰ সুত ভৰিব লগা হয় ১১ কোটি টকা। এই খিলঞ্জীয়া চাহ বনুৱা কিছুমানৰ পৰিয়ালৰ ৩০০ বছৰ হল আৰু কিছুমানৰ কমেও ১০০ বছৰ হল তথাপি স্বাধীনতাৰ ২৭ বছৰৰ পিচতো তেওঁলোকৰ ঘৰ এটা নহল। এই বাজেটতো তেওঁলোকৰ বসতিৰ বাবে একো ব্যৱস্থা কৰা নাই।

ধান সংগ্ৰহৰ কথা কৈছে। মই এজন খেতিয়ক হিচাপে কও যে ৫ জন মানুহৰ এটা পৰিয়ালৰ বাবে ১০ বিঘা মাটিত খেতি কৰিবলৈ এহাল গৰু কিনোতে কমেও ডেৰ হেজাৰ টকা লাগে আৰু সেই গৰু হাল পুহিবলৈ বছৰি কমেও ৩০০ টকা লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, মই নিজে হালোৱা মানুহ, দহ বিঘা মাটিত যদি খেতি কৰিব লাগে এই হিচাব মতে পাচ বছৰৰ খেতি কৰিব নোৱাৰিব। এই হিচাব মতে ছয়মোন ধানৰ দাম ১৮০০ টকা হয়। ভৰালত থোৱাৰ বাবদ এটকাকৈ ধৰিলেও ৩৬৫ টকা খৰচ হয়। সাৰ আদিৰ কাৰণে দহ টকাকৈ ধৰিলে এশ টকা হয়।

কৰনী যদি খৰৰ হয় তেনেহলে দুমোন বা আঢ়ৈমোন ধান খৰচ হয় মাহেকত। সত্তৰ টকা মোনে ধৰিলেও এশ পয়সত্তৰ টকা হয়। অনা আৰু ভৰালত সোমাই থোৱা খৰচ ধৰা নাই। ভৰালত খৰচ এটকাকৈ ধৰিলেও ৩৬৫ টকা হয়। আকৌ নাঙল-যুৱঁলী, ফাল-দলিমাৰীৰ কাৰণেও পঞ্চাশ টকা লাগে। Lump Sum আৰু এশ টকা ছমাহত লাগে। ঔষধ পাতিৰ কাৰণে ত্ৰিশ টকা ধৰিব লাগিব। এই হিচাবত মুঠ টকা হয়গৈ ২৯৭০ টকা। ধান বেচি পোৱা যায় ৬ঠশ টকা খৰচ হয় ২৯৭০ টকা। গতিকে একহাজাৰ এশ সত্তৰ টকা লোকচান হয়। এইটো হ'ল কংগ্ৰেছৰ কৃতিত্ব। অসমীয়া খেতিয়ক সকলৰ এইটো কৃতিত্ব। এই অনুৰূপে হিচাব কৰি কব পাৰি কিন্তু এনেকৈ হিচাব কৰি মুখ্য মন্ত্ৰী অথবা যোগান মন্ত্ৰীয়ে অসমত সংগ্ৰহ কৰা ধানৰ মূল্য মোনে সত্তৰ টকা নাই পৰা বুলি যদি কব পাৰে মই প্ৰত্যাহ্বান কৰিছোঁ। প্ৰতিমোন ধানত F.C.I. ৰ লাভ, কৰ্ম্মচাৰীৰ দা-দৰমহা, পুলিচ-মেজিষ্ট্ৰেটৰ গাড়ী আদি ডা-ডাঙৰীয়াৰ দৰমহাকে ধৰিলে প্ৰতিমোন সংগৃহীত ধানৰ দাম সত্তৰ টকাৰ কম পৰা নাই। কিন্তু খেতিয়কে সেইটো দাম পোৱা নাই। যি কষ্ট কৰি মূৰৰ ঘাম মাটিত পেলাই ধান উৎপাদন কৰিছে তেওঁলোকে সেই ধন পোৱা নাই।কিন্তু পাইছে কোনে ? অবিবেচনাৰ কাৰণে এনে অৱস্থা হৈছে। এইটোনো অঁকৰা চৰকাৰ নুবুলি আৰু কি বুলিব পাৰি ? হাল-গৰু অথবা সাৰকে যদি নাপায় উপযুক্ত বীজ যদি নাপায় খেতিৰ দবল বাৰু ভাল হব কেনেকৈ ? মই চৰকাৰ চলোৱা হলে ৰঙা বগা দেখুৱালোঁহেঁতেন।

হাল নেবাই ৰেচনৰ দোকানত হাজিৰ হলে, সভা-সমিতিয়ে বক্তৃতা দিলে এক কেজি দুই কেজি চাউল পোৱা যায় কিন্তু তাতো আকৌ সিংহ ডাঙৰীয়া আৰু শইকীয়া ডাঙৰীয়াই হেণ্ডকাপ লগাই Ready হৈ আছে।

আজিৰ লৰা নগৰমুখী হৈছে, চহৰমুখী হৈছে। চৰকাৰৰ এই দুস্কৃতিৰ কাৰণেই এই সকলো হৈছে। আমাক M.L.A. Canteen ত বাচমুটি চাউলৰ ভাত খুৱাইছে ঠিক কিন্তু তাৰ কাৰণে তিনি টকা, তিনি টকা পঞ্চাশ পইচা পাইছে পঞ্জাৱৰ খেতিয়কে। কিন্তু অসমৰ খেতিয়কে কি পাপ কৰিছে যে তেওঁলোক প্ৰাপ্য খিনিৰ পৰাও বঞ্চিত হব। মই কওঁ অসমত একৈশ লাখ কিয় পঞ্চাশ লাখতকৈও বেচি সংগ্ৰহ হৈছে। আজি অযোধ্যা দাস নাই অযোধ্যাই নকলেও ৰামে কৈ আছে। একৈশ লাখ কুইন্টল ধানৰ কাৰণে পুলিচ লগাব লগীয়া হয় নেকি ? অকল দৈয়াং বনাঞ্চলতে লাখ কুইন্টল ধান সংগ্ৰহ হব। শইকীয়া ডাঙৰীয়াৰ সমষ্টি নাজিৰাতো কিমান ধান সংগ্ৰহ হৈছে তাৰো হিচাব আছে। কিন্তু গোলাঘাটৰে দুৰ্ভাগ্য যি বিলাক পঞ্চায়তত কংগ্ৰেছী সভাপতি আছে তাতকৈ চোচিয়েলিষ্ট পাৰ্টিৰ সদস্য যি বিলাক গাওঁ পঞ্চায়তত আছে সেই বিলাকত ধান সংগ্ৰহ বেছি হৈছে। কমিউনিষ্ট পাৰ্টি বা কংগ্ৰেছ পাৰ্টিৰ সদস্যতকৈ চোচোয়িলিষ্ট পাৰ্টিৰ সদস্য সভাপতি হৈ থকা ঠাইতহে ধান বেছিকৈ সংগ্ৰহ হৈছে।

অধ্যক্ষ মহোদয়, দৈয়াং Jubilee পাতিম বুলি স্থিৰ কৰিছোঁ ৫/৬/৭ এপ্ৰিল তাৰিখে, ভাবিছো চিঠিপত্ৰ দি এশ চৈধ্যজন বিধান সভাৰ সদস্যকে মাতিম অকল মেৰাপানীয়েই পঞ্চাশ হাজাৰ কুইণ্টল দিছে। যিমান বিলাক ধান আচলতে সমবায়ৰ নামত কিনা হৈছিল তাৰ গোটেই খিনি ধান চৰকাৰৰ ভৰাললৈ অহা নাই Agent ৰ ঘৰলৈও গৈছে। অসমত এনে বহুত হিচাব আছে ৰক্ষকেই ভক্ষক হৈ আছে। কিছুমানে আকৌ সংগ্ৰহৰ নামত নিজৰ জেপ আৰু পেৰাপটাৰীৰ ওজন বঢ়াইছে। ৰক্ষকেই ভক্ষক হৈছে। তাৰ ফলত এতিয়া ডিচেম্বৰ মাহতেই পঞ্চাশ টকা দৰ হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, আজি সংগ্ৰহৰ নামত কিছুমানক নিজৰ ভৰালত ধান ভৰাবলৈ সুবিধা দিয়া হৈছে। দোকানত সস্তা দৰত চাউল দিয়াৰ কথা কৈছে কিন্তু পাইছে কিমানে সেইটো চাব লাগিব। সংগ্ৰহ কৰা সকলেও দুই মোন বা চাৰি মোন চৰকাৰক দিলেও বাকীখিনি নিজৰ কাৰণে ৰাখিছে। একৈশ লাখ কুইণ্টল নহয় বাঠি লাখ কুইণ্টল ধান সংগ্ৰহ হৈ গৈছে বুলি মই কব পাৰোঁ। কিন্তু চৰকাৰৰ হাতলৈ হলে অহা নাই।

এই ব্যৱস্থাৰে এইটো ৰোধ কৰিব নোৱাৰে। "অপৰিক ধৰিলেহে অপৰাৰ দেও উঠে" আৰু সেইটোৱেই হৈছে। এই খেতিয়ক সকলৰ ওপৰত মাৰ ধৰ কৰাটোও। সেই কাৰণেই খেতিয়ক সকলৰ ওপৰত মাৰধৰ, জুলুম কৰিছে। তেওঁলোকৰ বাবে এটা অসুস্থ পৰিবেশ সৃষ্টি নকৰি সুস্থ পৰিস্থিতিৰ সৃষ্টি কৰাতো চৰকাৰৰ দায়িত্ব নাই নেকি? কিন্তু আজিৰ চৰকাৰে কৰিছে কি? আমাৰ আজিৰ কথা হৈছে:— পুঠিখলিহা পাহত লাগি ৰ'ল

ৰৌ বৰালি সৰকি গ'ল।

এই যে একৈশ লাখ কুইন্টল সংগ্ৰহ হৈছে এইখিনিও পাহত লাগি ৰোৱাহে ইয়াতকৈ বহুত বেছি সংগ্ৰহ হৈছিল। কিন্তু যোগান মন্ত্ৰীয়ে কয় দুৰ্নীতি হোৱা দেখা নাই। দেখে কেনেকৈ? ইয়াৰ কাৰণে দিব্য চকু লাগিব। দিব্য চকু যুবি নাথাকিলে কেনেকৈ দেখিব।

আজি নগা সীমান্তৰ কথা, যি নগা সীমান্তৰ কথা মই ইমান বছৰে কৈ আহিছোঁ সেই নগা সীমান্তৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা নাই। কিন্তু লুৰ লুথা কোঃ চোচাইটিৰ সেই অঞ্চলখিনি ১৯৬৪ চনতে নগাই দখল কৰিছে আৰু দৈয়াং ৰিজাৰ্ভত বহিছে। আমাৰ চৰকাৰ আছে, পুলিচ আছে, মিলিটাৰী আছে কেৱল আমাৰ অসমীয়া খিলঞ্জীয়া খেতিয়কক উচ্ছেদ কৰিবলৈহে। নগা সকলক ইমান দিনে বেদখল কৰি থকা স্বত্বেও উচ্ছেদ কৰিব পৰা নাই।

অধ্যক্ষ মহোদয়, আজি এটা কথা নকলে এই বাজেট বক্তৃতা সম্পূৰ্ণ নহব। হৈ যোৱা বৰপেটা নিৰ্ব্বাচন কেন্দ্ৰীয় চৰকাৰে চলালেও অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে এই উপনিৰ্ব্বাচনত কি কি কৰিছে তাৰ দুই এটা নমুনা আপোনাক দিব খুজিছোঁ। আমি অভিযোগ কৰিছোঁ যে চৰ অঞ্চলত অৰ্থাৎ যিবিলাক চৰ ব্ৰহ্মপুত্ৰৰ চৰ সেই বিলাক বহু বছৰ ধৰি বানৰ ফলত নাইকীয়া হৈ গৈছে। কিন্তু ১৯৭১ চনতে যিটো ভোটৰ তালিকা প্ৰস্তুত কৰিছিল সেই মতেই তালিকা থাকি গ'ল। ১৯৭১ চনৰ পিচত কিমানটা বানপানী হৈ গ'ল তৎসত্বেও ভোটৰ তালিকা একেই থাকিল অথচ সেই চৰ বিলাকৰ কোনো অস্তিত্বও নাই। বালুচৰ, নিৰালা, চাপ্ৰ

পাৰচৰ ইত্যাদি কেইটাৰ অস্তিত্ব ক'ত আছে বাৰু? ১৯৭১ চনত ভোটৰ কেন্দ্ৰবো বহুত মানুহ উঠি গৈ নোহোৱা হ'ল। কিন্তু ভোট দিয়াৰ সময়ত আটাইবিলাক চৰৰে ভোট হৈ গ'ল।

(ভইচ: আপুনি চৰবিলাক আৰু সেই অঞ্চল বিলাক দেখিছে নেকি?)

গৈছোঁ কেতিয়াবা কোনো কোনো ঠাইলৈ। গৈছোঁ বুলি দাবীও নকৰোঁ। কিন্তু জানোঁ। কিন্তু এইটো ঠিক যে যোৱা কেইজনে দেখিছে নিশ্চয়। ৰামদিয়া কেন্দ্ৰত অৰ্থাৎ ৰামদিয়া স্কুলৰ ভোট কেন্দ্ৰত বেলট পেপাৰ Presiding Officer এ বিলাই দিছে। বাহিৰত ছাপ মাৰি জমা দিয়াৰ কথা কেবাটাও কেন্দ্ৰত হৈছে।

(ভইচ: Agent নাছিল নেকি?)

আছিল কিন্তু থাকিলে কি হব? বলীৰ হাতত বলীৰ আগত কি কৰিব পাৰে? বৰটোকোলাই শগুনক ধৰাদি ধৰিছে বুলিব লাগিব। অকল সেয়ে নহয় বৰপেটাৰ S.D.O. জনক ৰাতিৰ ভিতৰতে প্ৰমোচন দিয়া হ'ল telegram কৰি। দিব লাগিছিল D C. ৰ হাতত কিন্তু Settlment Officer জন E.A C. হৈ আচলতে, S.D.O. incharge আছিল আৰু তেওঁকেই ৰাতা ৰাতি Telegram যোগে S.D.O. লৈ প্ৰমোচন দি Election ৰ দায়িত্ব দিয়া হৈছিল। সেয়ে তাতেই দুৰ্নীতি আৰম্ভ হ'ল। বাজেট বক্তৃতাৰ সুবিধাতে এই কথাখিনি কৈছোঁ আগতেও কৈছোঁ অৱশ্যে। নিৰ্ব্বাচন যদি পৰিস্কাৰ নহয়, বিধান সভা বা লোক সভাৰ বিধায়ক সকল যদি পৰিস্কাৰ নহয়, তেখেতসকলৰ বিধায়ক হোৱা পদ্ধতি যদি পৰিস্কাৰ নহয় তেন্তে সেই বিধায়ক সকলৰ দ্বাৰা তেওঁলোকৰ তেজ মজ্জা আৰু বিবেকেৰে তৈয়াৰী হোৱা আইন কেনেকৈ পৰিস্কাৰ হব সেই কথা আপোনালোকে ভাবি চাওক। অধ্যক্ষ মহোদয়, আন এটা হিচাব দিব খুজিছোঁ।

অধ্যক্ষ :— আপুনি সাতাইশ মিনিট কলে।

অধ্যক্ষ মহোদয়, এইটো বাজেট অধিবেশন। দীঘলীয়া আৰু কৰঙলীয়াও বহুত আছে। কথা হ'ল সৰু-সুৰা Ricemill বিলাক কৰিছে হয় কিন্তু লাভ হব নোৱাৰে। লাভ হয় ডাঙৰ ডাঙৰ মিল বিলাকৰ

মালিকৰহে। ডাঙৰ Type মিলত এক কুইণ্টল ধানত ৬৫/৬৬ কেজি চাউল ওলায়। কিন্তু সৰু Type ত সিমানখিনি নোলায়।

(ভইচ: মিলৰ Representative কৰিব নেকি ?)

Representative কৰা নাই। দেশৰ ভালৰ কাৰণে দেশতে হোৱা লোকচানৰ হিচাব দাঙি ধৰিছো মাত্ৰ। হলাৰ মেচিনত এক কুইণ্টল ধানত ৬০ কেজি চাউল হয় আৰু এই ৬০ Kg. হোৱা মিল এঘাৰশ আছে। এক কুইণ্ট্ৰলত ৫ কেজিকৈ লোকচান হলেও প্ৰতিটো মেচিনত বিশ কুইণ্টল ধান বনা হলেও এশ কেজি নষ্ট হয় আৰু প্ৰতি সপ্তাহত ইমানকৈ লোকচান হলে ৫২ সপ্তাহত এক লাখ চাৰি হাজাৰ কুইণ্টল লোকচান হয় এই এঘাৰশ মিলত। ৫ Kg. ১০ Kg. ৰ কথা নহয়, হাজাৰ এক-দুই একৰ কথা নহয় এক লাখ চল্লিশ হাজাৰ কুইণ্টল ধান এনেই নষ্ট হৈছে ধান কুটুৱাৰ দোষত। ই কোনো সৰু-সুৰা লোকচান নহয়। এই লোকচান বন্ধ কৰিব লাগিব। ডাঙৰ ডাঙৰ মিল কৰক আৰু বহুতৰে ওচৰত অংশ বিক্ৰী কৰক তেতিয়া হলেও এই অপচয় বন্ধ হব। এইটোৱেই যদি কৰিব তেন্তে এই চৰকাৰৰ দৰকাৰ কি ? ল'ৰাবিলাকে এনেয়েনো কয়নে কংগ্ৰেছ চৰকাৰ নাই দৰকাৰ, এইটো ল'ৰা ছোৱালীবিলাকে Slogan কাৰ লৈছে। 'কংগ্ৰেছ চৰকাৰ কিহৰ দৰকাৰ ?' কংগ্ৰেছ চৰকাৰ নাই দৰকাৰ। এইবোৰ অলপ কথা নহয়। নিশ্চয় কিবা এটা আছে।

এই শ্লোগান অলপ শ্লোগান নহয়। এই বাজেট খনত এটা বস্তু নাই, সেইটো হল নিবনুৱাৰ কথা। আমাৰ মাননীয় সদস্য শ্ৰীদাসে কৈছে এল, পি স্কুলৰ শিক্ষক দিছে। আৰু বহুত দিছে, অট-ৰিক্সা দিছে, কুকুৰা পোহিবলৈ দিছে। খানাপাৰাত শিক্ষা লোৱা গ্ৰেজুৱেট কেইজন আছে হিচাব কৰিবলগীয়া কথা। কুকুৰা গাই পোহিবলৈ খানাপাৰাত শিক্ষা লবলৈ বি, এচ, চি, এম, এচ, চি গৈছিল কেইজন ৰাখিব পাৰিছে ? কি মনোবৃত্তিৰ সৃষ্টি কৰিলে ? মুখত টিং লৈ ঘিউৰ বেপাৰ কৰিবলৈ যাওতে সৰি পৰা নিচিনা সাধুটোৰ দৰে হোৱা নাইনে ? সেই গল্প কাৰ্যত পৰিণত হৈছে। নিবনুৱাৰ কথাটো এই বাজেটত অহা নাই। নিবনুৱাৰ

সমস্যাৰ কথা যেন আমাৰ চৰকাৰে নিচেকৈ নাভাবে। অৱশ্যে পিতৃ হোটেলত ভাত খাবলৈ দিছে। গতিকে চৰকাৰে নভবাটো স্বাভাৱিক। তেওঁলোক পাৰ্গত বুদ্ধিৰ ৰাজনীতিজ্ঞ যে নহয় এই কথা বুজি পাও। মোৰ এই কথাৰ জবাব দিছিল। তেখেত তেখেতৰ ভাগত পাৰ্গত। এৰী পলুৰ লেতাই নিজে সূতা পকাই পকাই থাকোতে মাজত সোমাই পৰে, ওলাব নোৱাৰে, ইয়াক লেতাকোন্দা বোলে। এই চৰকাৰো লেতা কোন্দাৰ দৰে ওলাব নোৱাৰে বাট নাই, নিজৰ সূতাৰে নিজে বান্ধ খাই আছে। বিকাশ প্ৰগতি একো নাই। খালি আছে এটা নাম কয় অশোকৰ, নাম কয় ধুনীয়া ধুনীয়া। অশোকে কলিঙ্গৰ যুদ্ধত শত্ৰু নিধন কৰিছিল, নিজৰ মানুহে নিধন কৰিছিল। শত্ৰুৰ তেজেৰে নৈ বৈছিল। সেই অশোকে অন্তত যুদ্ধ পৰিহাৰ কৰিলে, অস্ত্ৰ সম্বৰণ কৰিলে। ধৰ্ম্মত মতি হল। কিন্তু আমাৰ চৰকাৰে কি কৰিছে? সেই অশোকৰ চকু লৈছে কিন্তু সেই অশোকৰ জ্ঞান আহৰণ কৰিব পৰা নাই। এখেতসকলে পুলিচ বঢ়াইছে, মিলিটাৰী বঢাইছে দেশ ৰক্ষা কৰিব। যি অশোকে যুদ্ধ নকৰিলে, পিচত সেই অশোকৰ ৰাজ্যক কোনোবাই আক্ৰমণ কৰিছিলনে? যি দিনা যুদ্ধৰ প্ৰবৃত্তি আছিল সেই দিনা যুদ্ধ হৈছিল। যুদ্ধ পৰিহাৰ কৰাৰ পিচত জনসাধাৰণক সুখে সন্তোগে খোৱাই ৰাখিব পাৰিছিল। শত্ৰুৰ আলিঙ্গন কামনা নকৰাকৈ বহিৰ শক্তিৰ প্ৰভাৱ নপৰাকৈ ৰাজ্য ৰাখিব পাৰিছিল। বহিৰ শত্ৰুৰ আক্ৰমণ নোহোৱাকৈ অশোকৰ শাসন পাৰ কৰি দিছে আজি মোৰ ৰাজনীতিজ্ঞ মনিষী ডঃ ৰামমোহন লোহিয়াৱৈলে মনত পৰিছে। তেখেতে কৈছিল যিখন দেশত নিজৰ বৰ্ডাৰ চিকিউৰিটি ফোৰ্চে, নিজৰ মিলিটাৰীয়ে নিজৰ মানুহ গুলিয়াব, সেই মানুহে শত্ৰুৰ আক্ৰমণক বাধা দিব নোৱাৰিব। সেই কথা প্ৰমাণিত হৈছিল চীনা আক্ৰমণত। নিজৰ সৈন্যক যেতিয়া নিজৰ শাসকৰ নিজ শাসনৰ নিজৰ মানুহৰ ওপৰত গুলী চলাবলৈ লাগিব, শান্তিৰ নামত যেতিয়া নিজ পুলিচে নিজৰ মানুহক নিজৰ ল'ৰা-ছোৱালীৰ ওপৰত গুলীয়াব, পুলিচে মৰিয়াবলৈ লাগিব, সেই পুলিচে শান্তি ৰক্ষা কৰিব নোৱাৰে। সেই চিপাহীয়ে সীমান্ত ৰক্ষা কৰিব নোৱাৰে, দেশ ৰক্ষা কৰিব নোৱাৰে। 'জয় জোৱান জয় কিষান' এই ধ্বনি মিছা। চীনৰ লগত বেয়া, ৰাচিয়াৰ লগত ভাল, আমেৰিকাৰ

লগত বেয়া ই একো মিছা কথা। যেতিয়া নিজ শক্তি সামৰ্থ আছে, নিজৰ মানুহে খোৱা পায়, সুখে সম্ভোগে থাকিবলৈ পায় তেতিয়া বহিৰ শত্ৰু, বাহিৰতে ডোখৰ ডোখৰ হৈ যাব।

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰী :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী তথা মুখ্যমন্ত্ৰীয়ে ১৯৭৫-৭৬ চনৰ কাৰণে যি ৰাহি বাজেট উত্থাপন কৰিছে তাক মই অভিনন্দন জনাইছো আৰু ধন্যবাদ জনাইছো। এই বাজেট উত্থাপনৰ পিচত খবৰ পালো যে আমাৰ খাৰুৱা তেল বাৰাউনীৰ পৰা আহিছে তাৰ বিক্ৰি কৰ বহু কোটি টকা পাম।

( ভইচেচ ঃ— মুখত ফুল চন্দন পৰক )

এই টকা ১৯৬৪/৬৫ চনৰ পৰা পাব লাগে। আমাৰ দেশখনৰ অবস্থা প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে শোচনীয় হৈছে এই কথা আমি নিজে উপলব্ধি কৰিছো। সেই চিত্ৰ খন আমাৰ মুখ্যমন্ত্ৰী মহোদয় দাঙি ধৰিছে। আমাৰ সময়ে সময়ে হৈ থকা আন্দোলনৰ কাৰণে চি, আৰ, পি, আনিব লগাত পৰিছে. তাৰ কাৰণে চৰকাৰে খৰচ বহন কৰিব লগা হৈছে।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী :— মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে কব বিচাৰিছো চি, আৰ, পিৰ খৰচ অসম চৰকাৰে বহন নকৰে, কেন্দ্ৰীয় চৰকাৰে বহন কৰে। চি, আৰ, পিয়ে আমাৰ ল'ৰা মাৰিব।

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি :— আমাৰ ফালৰ পৰা খাদ্যও দিব লাগে! সেই চি, আৰ, পি, সকলক। ১৯৭২ চনৰ নিৰ্ব্বাচনৰ ইস্তাহাৰত আমি যি কাম কৰিবলৈ সংকল্প লৈছিলো সেই ক্ষেত্ৰত কিছু আগবাঢ়ছো। আমি গৰীৱ হটাও যি সংকল্প লৈছিলো সেই ক্ষেত্ৰত আগবাঢ়ছো। কিন্তু এই বিলাক কাম কৰিবলৈ যাওতে আমি কিছু বাধা পাইছো। যি পাবলৈ বিচাৰিছে সি তাৰ কাৰণে বাধা পাইছে, প্ৰতি জনক যি খিনি লাগে তাত লবলৈ বাধা পাইছে সেই খিনি দিব খুজিছো সেই খিনিত বাধা দিছে। আমাৰ মাজত থকা আৰু নথকা জনৰ সংঘাট আহিছে। যোৱা বছৰ দুৰ্ভাগ্যক্ৰমে একেৰাহে ৫ টা বান আহি আমাৰ আৰ্থিক অবস্থাত ব্যাঘাত জন্মাইছে। আমি যিযান খিনি কামত আগবাঢ়িব লাগিছিল সিমান খিনি আগবাঢ়িব পৰা নাই।

আমি ক্ষতিগ্ৰস্থ লোক সকলক ঠিক মতে সহায় কৰিব পৰা নাই । তথাপিতো আমাৰ চৰকাৰে হিচাব দিছে যে চাৰি হাজাৰ বিঘাত পশীলভুক্ত লোক মাটিৰ ব্যৱস্থা কৰি দিব বুলি হিচাব দিছে । টকা পইচাৰ কাৰণে ঠিক মতে কাম বিলাক কৰিব পৰা নাই ! আমি লোক সকল পুনৰ বসতিৰ ব্যৱস্থা কৰি দিব পৰা নাই । তাৰ কাৰণে ভি, জি, আৰ, পিজি, আৰ আৰু ফৰেষ্ট বিলাকত আক্ৰমণ হৈছে ।

আমি তাকো কব নোৱাৰো যে আপোনালোক তাৰ পৰা উঠি যাওক আনহাতে চৰকাৰো বাধ্য হৈছে তেওঁলোকক উঠাই দিবলৈ কাৰণ আমাক ফৰেষ্ট ৰিৰ্জাভ লাগে । এইখিনিতে মই চৰকাৰক সকিয়াই দিব খোজোঁযে যিমান পৰা যায় দ্ৰুত আচঁনি কৰিব লাগে আৰু সেই মানুহ-খিনিক আশ্ৰয় দিব লাগে নহলে তেওঁলোক অৰ্থনৈতিক দুৰবস্থাৰ সন্মু-খীন হৈছে আৰু সেই কাৰণেই সেই সকলক উচ্ছেদ কৰিব পৰা হোৱা নাই । মই নিজে এটা বান বিধস্থ অঞ্চলৰ মানুহ তাৰ বহুত মানুহে এই-বাৰ ফৰেষ্ট এলেকাত সোমাইছে এই সম্পৰ্কে মই ফৰেষ্ট মন্ত্ৰীক কৈছো আৰু তেখেতেও উচ্ছেদ কৰিব লাগিব বুলিহে কৈছে । তাৰ আগতে আমাৰ অফি-চাৰ বিলাকে সেই মানুহবিলাক যাতে তাত সোমাই নাযায় আৰু খেতি-বাতি নকৰে তাৰ ব্যৱস্থা কৰিব লাগে । কিন্তু এইটোও ঠিক যে সেই মানুহ বিলাক আজি বস্তু হাৰা হৈছে, গাওঁ নোহোৱা হৈছে, তেওঁলোকৰ ঠিক ভাবে, সময়োচিত ভাবে আৰু শৃংখলাৰে পুণৰ বসতিৰ দৰকাৰ বুলি মই অনুভৱ কৰো । আজি আমাৰ শতকৰা ৭৫জন মানুহ গৰীব বুলি আমি কৈছো । এই মানুহখিনিৰ উন্নতিৰ বাবে অকল চৰকাৰেই আচঁন কৰিলে নহয় আমাৰ সমাজখনো এই ক্ষেত্ৰত আগবাঢ়ি তেওঁলোকৰ অন্নবস্ত্ৰ আৰু বাসস্থানৰ কাৰণে চিন্তা কৰিব লাগিব । চৰকাৰে পৰিকল্পনা কৰিছে, আচঁনি লৈছে আমি মাননীয় সদস্য সকল আৰু আমাৰ সমাজখনৰো এই ক্ষেত্ৰত দায়িত্ব আছে । আজি অকল কোকৰাজাৰ চাব ডিভিজনেই নহয়, অসমৰ এটা দীৰ্ঘ অংশ লক্ষীমপুৰৰ পৰা কোকৰাজাৰলৈ যোৱা অক্টোবৰৰ পৰা মানুহবিলাকে এটা অনিশ্চিত অৱস্থাত বসবাস কৰি আছে । আজি আমাৰ বড়ো ভাই সকলে ৰোমান আখৰৰ কাৰণে আন্দোলন কৰি আছিছে । মই নকওঁ যে ৰোমান আখৰ তেওঁ লোকক লাগে বা নালাগে । কিন্তু এইটো

কথা ঠিক যে তাৰ দ্বাৰাই কি জনজাতীয় বা অজনজাতীয় লোকৰ জীৱনৰ নিৰাপত্তা নোহোৱা নিচিনা অৱস্থা হৈছে। যোৱা ১৪ ডিচেম্বৰ তাৰিখে ভুবনেশ্বৰ নাৰ্জাৰীৰ আট টায়ীৰ হাতত মৃত্যু হৈছিল, এই ক্ষেত্ৰত এইটো কথাকেই কব পাৰি যে ৰোমান লিপিৰ সংক্ৰান্তত হোৱা আন্দোলনৰ বাবেই শ্ৰীনাৰ্জাৰীৰ আটটায়ীৰ হাতত মৃত্যু হব লগা হৈছিল। অলপতে কোকৰাজাৰ কলেজ হোষ্টেলত বিনেন্দ্ৰ নাথ বসুমতাৰীক যথেষ্ঠ মাৰধৰ কৰি অচেতন কৰি পেলাইছিল। এনেদৰেই আজি মানুহৰ নিৰাপত্তা নোহোৱা হৈছে। শ্ৰীভূবনেশ্বৰ নাৰ্জাৰীৰ আটটায়ীৰ হাতত মৃত্যু হল কিন্তু আচল দোষীসকলক আজিও ধৰিব পৰা নাই। যিদিনা কোকৰাজাৰ কলেজত মাৰ ধৰ হৈছিল সেই দিনা সমাজ কল্যাণ দপ্তৰৰ মন্ত্ৰী মহোদয় আছিল আৰু তেখেতে সেই কথা জানে, আজি তেখেতে এই সময়ত অনুপস্থিত আছে। যিকি নহওক, এইদৰেই মানুহৰ মনত সন্ত্ৰাসৰ সৃষ্টি হৈছে আৰু মানুহৰ নিৰাপত্তা নোহোৱা হৈছে। মই এই খিনিতে কব খুজিছো যে ৰোমাণ আখৰৰ দাবী তেওঁলোকে তুলিছে, চৰকাৰ আছে তেওঁলোকৰ সমাজ আছে, তেওঁলোকক লাগে নালাগে আৰু চৰকাৰে দিয়ে নিদিয়ে সেই সম্প্ৰৰ্কে আমাৰ কব লগীয়া একো নাই। কিন্তু এইটো কথা সত্য যে আজি ইমান দিনে আমি একেলগে পুৰুষানুক্ৰমে বসবাস কৰি আছো। আমাৰ মাজত আজি অশান্তি আৰু বিভেদ সৃষ্টি হৈছে। যি সময়ত এই আন্দোলন হৈছিল সেই সময়টো আছিল শালি খেতি চপোৱা সময়।

উপাধ্যক্ষ মহোদয়, আপুনি জানে কোকৰাজাৰ মহকুমাত সংগ্ৰহৰ যি লক্ষ ৰাখি দিয়া হৈছিল সেই লক্ষত উপনিত হৈছে। ৫০ হেজাৰ কুইন্টল এতিয়া সংগ্ৰহ হৈছে আৰু হয়তো ১০ হেজাৰ কুইন্টলত এতিয়া আগবাঢ়ি গৈছে। কিন্তু যি ঠাইত ইমান খিনি শস্য সংগ্ৰহ হৈছে সেই খিনি ঠাইৰেই মানুহৰ সেই সময়ত কি বৰো বোলক, কি ৰাজবংশী বোলক, কি নেপালী বোলক, চাওতালীবোলক কাৰো মাজৰ শান্তি নোহোৱা হৈছিল। সেই কাৰণেই আজি মই কব খুজিছো যি সকল নেতাই আন্দোলন কৰিছিল সেই সকল নেতাই চৰকাৰৰ লগত আলোচনা কৰি সমাজৰ মাজত এটা শান্তিৰ পৰিবেশ সৃষ্টি কৰিব পাৰে তাক বিবেচনা কৰি চাব লাগে। নহলে অকল কোকৰাজাৰতেই নহয়, গোটেই অসমত আজি শান্তি নাইকীয়া হৈ

পৰিছে বিশেষকৈ আমাৰ আদিবাসী সকল যাৰ বুদ্ধি নাই বেহা বেপাৰ বাণিজ্য সম্পৰ্কীয় জ্ঞান নাই সেই সকলৰ বেছি ক্ষতি হব। সেই কাৰণে মই চৰকাৰক অনুৰোধ জনাওঁ যাতে এই অশান্তিৰ মিমাংসা কৰি ভূলৰ গুৰুৰণীৰে এটা শান্তিৰ অৱস্থা সৃষ্টি কৰিবলৈ চেষ্টা চলাব লাগে।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত মই চৰকাৰক কব বিচাৰিছো যে, আমি কি ভাবে অৰ্থনৈতিক ক্ষেত্ৰত আগবাঢ়িব পৰা যায় তাৰ কাৰণে চিন্তা কৰিব লাগে। আজি অসমৰ পৰিবৰ্ত্তন কৰিবলৈ হলে ক্ৰপিং পেটাৰ্ন বদাল কৰিব লাগিব। আজি কৃষিৰ ক্ষেত্ৰত বহুতো আচান লোৱা হৈছে। কিন্তু কোনোটোতে কাৰ্য্যকৰী হব পৰা নাই। আমাৰ সমষ্টিতে কেইবাটাও লিফ্ট ইৰেগেচন লোৱা হৈছে। নদীৰ কিনাৰেদি নেচনেল হাইওৱে গৈছে। নেচনেল হাইওৱে নলী পাৰ কৰিব নিদিয়াৰ কাৰণে স্কীমটো কাৰ্য্যকৰী হোৱা নাই। অথচ ১৯৭১ চনতে আৰম্ভ হোৱা আচনি আজিলৈকে শেষ হোৱা নাই। আজি নানা ধৰণৰ আচনি কৰি বানপানীৰ প্ৰতিৰোধৰ বাবে চেষ্টা কৰিছে কিন্তু সময়মতে কাম কৰিব নোৱাৰা কাৰণে সেই কাম সম্পূৰ্ণ হোৱা নাই। বৰঞ্চ নানা ধৰণৰ যন্ত্ৰপাতি চোৰ হৈছে। পকা লাগা নদীৰ স্কীমটো পৰিবৰ্ত্তে ভুলকা দৰা নদীত কাম আৰম্ভ কৰি বৰ্ত্তমানে তাৰ বাৰ্জ খন এনেয়ে বালিত পোত গৈ আছে। অথচ কমাণ্ড এৰিয়াত কাম নকৰি অযথা ভূল কৰি ভুলকাদৰা নদীত কামটো আৰম্ভ কৰিছিল। যাৰ কাৰণে বহুত টকা অযথা ক্ষতি হল বাইজৰো উপকাৰ নহল।

অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও আজি চৰকাৰে কৃষিৰ ক্ষেত্ৰত যিবিলাক লন দিয়াৰ ব্যৱস্থা কৰিছে সেইবিলাক উপযুক্ত ভাবে দিয়া হোৱা নাই। কাৰণ এনে কিছুমান মানুহক লন দিয়া হৈছে যি সদ ব্যৱহাৰ কৰিব পৰা নাই। নিবনুৱা সমস্যা চৰকাৰে আজি সমাধান কৰিব পৰা নাই। এইটো কাৰ্য্যকৰী কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। কিন্তু আজি দেখা গৈছে যে, আত্ম নিয়োগৰ কাৰণে মানুহ আগবাঢ়ি অহা দেখা নাপাও। আমাৰ কোকৰাজাৰ মহকুমাতে এই ক্ষেত্ৰত কাৰ্য্যকৰী হোৱা নাই। গতিকে এই নিবনুৱা সমস্যা সমাধান কৰিবলৈ চৰকাৰে যি পাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীকবিৰ ৰায় প্ৰধানী ঃ—

উপাধ্যক্ষ মহোদয়, আমাৰ পবিত্ৰ সদনত যিখন বাজেট দাখিল কৰা হৈছে সেই বাজেটখনৰ দ্বাৰা যি ছবি দাঙি ধৰা হৈছে, সেইটো কাগজে-কলমে দেখাত বেয়া হোৱা নাই। এনে হিচাবে নম্বৰ পাব কিন্তু এইটো এনালিচিচ কৰিলে নম্বৰ নাপায়। শুনিবলৈ আৰু দেখাত বৰ সুন্দৰ হৈছে কিন্তু প্ৰেক্টিকেল হিচাবত বাজেট ঠিক হোৱা নাই। এই বাজেটত কৃষি ইৰিগেচন আদি কথা উল্লেখ কৰা হৈছে। এইটো অতি গুৰুত্বপূৰ্ণ কথা। আজি বানপানীৰ ফলত যি খেতি নষ্ট হৈছে সেইবিলাক পুৰণ কৰিব পৰা নাই। আমাৰ চৰকাৰে কৃষিৰ ক্ষেত্ৰত যে পিচ পৰি আছে আৰু একো উন্নতি কৰিব পৰা নাই তাৰ জ্বলন্ত প্ৰমাণ দিছে আমাৰ কৃষি বিভাগৰ মন্ত্ৰী সলনি কৰা কথাই। গতিকে আজি উপযুক্ত সময় আহি পৰিছে আৰু এই সময়তে আমি আমাৰ পুৰণিকলীয়া কৃষিপদ্ধতি বদলি কৰিবৰ হল। আগতে আমি যিবোৰ অভাৱ অনুভৱ কৰি আহিছো, সেই অভাৱ দূৰ কৰিব নোৱাৰাতো অতি দুখৰ কথা। আজি খেতিয়কৰ বীজ সাৰ আদি দিয়া হৈছে, কিন্তু সেইবিলাক ঠিকমতে বিতৰণ কৰা হৈছেনে ?

ইতিপূৰ্বে কিছুবছৰৰ আগতে চিদ কৰপৰেচনৰ মাধ্যমেৰে বিজ সংগ্ৰহ কৰিবলৈ দিয়া হৈছিল তেতিয়াও দেখা গৈছিল যে নিজৰ ঘৰত ৰখা বিজতকৈ এই বিলাক বিজ বেয়াহে আছিল। এতিয়া এই বিজ বিলাক কিছুমান ব্যৱসায়ী মানুহে বজাৰৰ পৰা সংগ্ৰহ কৰি চৰকাৰক ফাকি দি অধিক দামত বিক্ৰী কৰি লাভ লয় আৰু সেই বিজ কিনি নি খেতিয়ক সকলে খেতি কৰি ঠগ খায়। আমাৰ চৰকাৰৰ বিজ সংগ্ৰহ নকৰাৰ যিটো অভ্যাস এই অভ্যাসৰ কাৰণেই আমাৰ খেতিয়কসকল বেচি অভাৱত পৰিবলগীয়া হৈছে। এতিয়া আহু ধানৰ সময় আহিছে। আৰু চৰকাৰে কিছুমান ঠাইত কমপেক্ট এৰিয়া কৰি বান্ধি দিছে। এতিয়া যে আহুধানৰ বিজ দিব লাগে সেই কথা চৰকাৰে চিন্তা কৰা নাই। মই সিদিনা কৃষি মন্ত্ৰী মহোদয়ক সুধিছিলো হে আহুৰ সচ দিয়াৰ কি ব্যৱস্থা

কৰিছে। তেতিয়া তেখেতে কলে যে এতিয়া ধান সংগ্ৰহ চলি আছে গতিকে বিজ দিয়াৰ কথাটো মই কব নোৱাৰো। গতিকে আমাৰ খেতিয়ক সকলে খেতি কৰিবলৈ এনেয়েই কৰো পৰা একো সুবিধা নাপায় তেনেস্থলত বিজখিনিও যদি নাপায় তেনেহলে খেতিয়কে খেতি কৰিব কেনেকৈ ? আৰু ধানৰ খেতি উন্নতি ধৰণেৰে কৰিবলৈ হলে বেলেগ ধৰণেৰে কৰিব লাগিব। তাৰ কাৰণে পানী লাগিব। বাজেট ৰক্তৃতাত কোৱা হৈছে যে এতিয়ালৈকে ৫০ হাজাৰ হেক্টৰ মাটিত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। কিন্তু এইবিলাক কত কৰিছে ? আমি কতো চকুৰে দেখা নাই। আৰু যিখিনি কৰিছে সেইখিনি এক লাখ ভাগৰ এক ভাগো হোৱা নাই। নেচনেল হাইওৱে দি আহোতে আমি দেখিছো আমাৰ মাননীয় সদস্য শ্ৰীপাটগিৰি ডাঙৰীয়াৰ সমষ্টিত কেবল ড্ৰেইন কৰি আছে। এই ড্ৰেইন কৰি কিছুমান ঠিকাদাৰে পইচা খোৱাৰ বাহিৰে ৰাইজৰ একো লাভত অৰা নাই। বৰঞ্চ খেতিয়কসকলৰ লোকচানহে হৈছে। আমাৰ খেতিয়ক সকলৰ মাটি এনেয়েই কম, তাতে ড্ৰেইন কৰি এই কম মাটি থকা খেতিয়ক সকলৰ বহুত খেতিৰ মাটি নষ্ট কৰা হৈছে। গতিকে মই পৰামৰ্শ দিব বিচাৰিছো যে এই ড্ৰেইন কৰি মাটিৰ ওপৰেদি পানী দিয়াৰ ব্যৱস্থা নকৰি পাইপ দি মাটিৰ তলেৰে পানী নিয়াৰ ব্যৱস্থা কৰিব লাগে। মাটিৰ তলেদি পাইপ দি পানী নিয়াত দুটা সুবিধা আছে। এটা হৈছে খেতিয়কৰ খেতিৰ মাটি নষ্ট নহয় আৰু মাটিৰ ওপৰেদি পানী নিলে মাটিয়ে বহুত খিনি পানী শুহি লয় সেই কাৰণে শতকৰা ১০০ ভাগ পানী গৈ নিৰ্দিষ্ট স্থান নাপায়গৈ। কিন্তু পাইপ দি পানী দিয়াৰ ব্যৱস্থা কৰিলে শতকৰা ১০০ ভাগ পানী গৈ নিৰ্দিষ্ট স্থান পাবগৈ। গতিকে ইউৰুপ আদি দেশৰ দৰে মাটিৰ তলেদি পাইপ দি পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই ধৰণৰ চিন্তা চৰকাৰে এতিয়ালৈকে কৰা নাই। জলসিঞ্চনৰ কাৰণে যিবিলাক ব্যৱস্থা কৰিছে সেইবিলাক ব্যৱস্থাত খেতিয়ক ক্ষতিগ্ৰস্ত হৈছে আৰু নিৰাশ হৈ পৰিছে।

অধ্যক্ষ মহোদয়, যিবিলাক প্ৰচেষ্টা লোৱা হৈছে সেই বিলাক সকলো ঠাইতে হোৱা নাই। যিবিলাক সমষ্টিত শক্তিশালী মন্ত্ৰী আছে বা প্ৰভাৱশালী কংগ্ৰেছৰ পুজিপতি আছে সেইবিলাক সমষ্টিত কিছু কিছু

কাম হৈছে কিন্তু কিছুমান সমষ্টিত জলসিঞ্চনৰ নামত একো হোৱা নাই। আগতে এজন মন্ত্ৰীয়ে কৈছিল যে বিৰোধী দলৰ মানুহ থাকিলে কি কাম হব। কংগ্ৰেছ দলৰ মানুহ নাহিলে তাত কোনো কামেই নহব। গতিকে যত কংগ্ৰেছৰ পুজিপতি আছে সেই বিলাকত কিছুকাম হৈছে আন ঠাইৰ মানুহে কিবা কলেও সেই বিলাক চাম দাম কৰি পেলাই থৈ দিয়ে। এই বিলাক কাৰণতে আঞ্চলিক বৈষম্যৰ সৃষ্টি হৈছে। মুখ্য মন্ত্ৰী ডাঙৰীয়াই পলিচি কৰি গৌৰৱ কৰিছে। ইয়াত লিখিছে I know that the people have faith on our policies and programmes and in our Sincerity to be a Service to them, তেখেতে গৌৰৱ কৰাৰ কথাটো মানিছো পলিচিবিলাক লৈছে ঠিকেই। কিন্তু সেই বিলাক কাৰ্য্যত পৰিণত কৰা নাই। আমাৰ মাননীয় সদস্য শ্ৰীপাটগিৰি ডাঙৰীয়াই এটা কথা কৈছে যে চৰকাৰৰ কথা আৰু কামৰ মাজত কোনো সামঞ্জস্য নাই। কৃষকৰ কাৰণে যিমানে কৰিছে সিমানে কৃষকসকলৰ অৱস্থা বেয়া হৈহে গৈছে। পৰিশ্ৰম নকৰিলে তাৰ ফল নাপায় কথাটো ঠিকেই। কিন্তু কৃষকসকলে পৰিশ্ৰম কৰিব কত ? আৰু যি পৰিশ্ৰমত যিখিনি ফল উৎপাদন কৰে সেই খিনিবো ফল দুখীয়া খেতিয়কসকলে ভোগ কৰিবলৈ নাপায়। তাৰ ফল ভোগ কৰে ধনী মহাজনসকলে। এতিয়া ৩০ টকা দৰত কৃষকসকলৰ পৰা ধান আদায় কৰি লৈ আহিছে। কিন্তু ধনী মহাজনসকলক একো কৰিব পৰা নাই। ধনী মহাজনসকলে যি সময়ত দুখীয়া খেতিয়কে ৩০ টকা দৰত ধান দিব তাৰ কেইদিন মানৰ পিচতেই ৮০ ১০০ টকা দৰত চেগ চাই ধান বিক্ৰী কৰিব। তাৰো পৰি এতিয়া দুখীয়া খেতিয়কসকলৰ পৰা ৩০ টকা দৰত ধান আদায় কৰিছে কিন্তু যেতিয়া দুখীয়া খেতিয়কসকলৰ খাবলৈ নাইকীয়া হব তেতিয়া চৰকাৰে খেতিয়ক সকলৰ পৰা আদায় কৰা দৰত ধানৰ যোগান নকৰে। তাৰ লগত এই দুখীয়া খেতিয়ক সকলে ধনী মহাজনসকলৰ পৰা ১০০ টকা দৰত ধান আনি খাব লাগিব। আজি এই দুখীয়া খেতিয়কসকল কিয় নায্য মুল্যৰ পৰা বঞ্চিত হব লগীয়া হৈছে—সেই কথা ভাবিলে ভাল হব।

এতিয়া কো-অপাৰেটিভ কৰিছে। এইটো ভাল কথা বুলি আমি

গন্য কৰিছো। কিন্তু এইবিলাক কাৰ্য্যত পৰিণত হলনে? এতিয়াও কিয় কাৰ্যত পৰিণত কৰিব পৰা নাই এই বিলাকতো ৰাজনীতি সোমাই আছে।

আজি আমি প্ৰকৃততে যিটো দেখিছোঁ সেইমতে কাগজত যি-বিলাক পলিচি বা থিয়ৰি লোৱা হৈছে সেইবিলাক থিকেই আছে কিন্তু কাৰ্য্যক্ষেত্ৰত সেইবিলাক থিকমতে প্ৰয়োগ হোৱা নাই। শতকৰা ৮ ভাগ দুৰ্ব্বলৰ লগত শতকৰা তিনিজন সৱল ৰখা হৈছে। গতিকে থিয়ৰি মতে থিকেই আছে। কিন্তু সেইবিলাক কাৰ্য্যকৰী কৰিব পৰা নাই। কিন্তু যি সকল বুদ্ধিমান সেইসকলৰ প্ৰকৃতিও এনে ধৰণৰ হৈছে যে, যিকোনো চৰকাৰী কামত সেইসকলে নানা ধৰণৰ খেলিমেলি বা উদ্ভন্দালি কৰাৰ প্ৰয়াস পাইছে কিন্তু সেইসকলক তেনে ধৰণৰ একটিভিটিৰ পৰা চেক দিয়াৰ কাৰণে প্ৰশাসণ যন্ত্ৰটোৰ ক্ষমতা নাইকীয়া যেন লাগিছে। আৰু যি কোনো পৰ্য্যায়তে দেখা গৈছে যে, বুদ্ধিমান সকলে হোজা বা সাধাৰণ লোকৰ ওপৰত নানা ভাৱে শোষণ কৰাৰ উদাহৰণ দেখা যায় গতিকে সেইবিলাক প্ৰশাসণযন্ত্ৰ টোৱে চেক দিব পাৰিব লাগিছিল। এই সকল বুদ্ধিমানৰ চিন্তাৰ ধৰণ যদি থিকমতে পৰিচালনা কৰা হলহেতেন তেতিয়া ভাল আছিল কিন্তু তাকে কৰিব পৰা হোৱা নাই। মই আগতেই কৈছোঁ যে, গণতন্ত্ৰৰ যিটো প্ৰশাসণৰ নিয়ম তাতকৈ কোনো নিয়ম ভাল নাই। তাত সকলোৰে অধিকাৰ সাব্যস্তত আছে কিন্তু প্ৰশাসণীয় যন্ত্ৰটো এক্তিভ নোহোৱাই তেনে-বিলাক সা-সুবিধাৰ পৰা জনসাধাৰণ বঞ্চিত হবলগীয়া হৈছে আৰু আংশিক ভাৱে হলেও সমাজৰ মাজত এক বিকাৰ কাৰ তুলছে। যি সকলৰ মানুহৰ ওপৰ মহলাত হাত নোহোৱা হৈছে তেওঁ বিলাক নানা ধৰণৰ জীয়াতু ভুগিব লগা হৈছে। চৰকাৰী চাকৰিয়ালৰ একেবাৰে নিম্নখাপৰ পৰা একে বাৰে উচ্চ খাপলৈকে সকলোৰে মাজত নানা ধৰণৰ বৈষম্যই দেখা দিছে। গতিকেই সেই সকলৰ চাকৰিৰ প্ৰতি কোনো ধৰণৰ ইঞ্চেন্টিভ অহা নাই। মই আজি বহুদিৰ পৰা মাননীয় মুখ্যমন্ত্ৰী, বিভিন্ন বিভাগৰ খেলিমেলিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি আহিছোঁ, বিশেষকৈ মই ভেটেৰেনোৰ বিভাগৰ কথা তেখেতৰ দৃষ্টি আকৰ্ষণ কৰি আহিছোঁ যে—এই বিভাগটো ইমান অপৰিস্কাৰ আৰু ময়লা হৈছে তালৈ চকুমেলি চাব নোৱাৰ, ভীষণ খেলমেলি, গেজেটেড

অফিচাৰৰ অৱস্থা পিয়নৰ নিছিনা হৈছে, তাত কেৱল ডিচাৰ্জ, চাছপেণ্ড, ট্ৰেন্সফাৰ ইত্যাদিহে চলি আছে। তাৰ বাহিৰে একো হোৱা নাই। কেৱল পাগলৰ ৰাজ্যহে চলি আছে। উদ্ভন্দালি আৰু অত্যাচাৰৰ কোবত সাধাৰণ চাকৰিয়াল তিষ্ঠিব নোৱাৰা হৈছে। এই বিষয়ে মই কেইবাবাৰো কৈছোঁ। কিন্তু তাৰ কোনো প্ৰতিকাৰ নাই। তাত আনকি এনেকুৱাও দেখা গৈছে যে, আন মন্ত্ৰীৰ কথা বাদেই দিয়ক, আনকি মুখ্যমন্ত্ৰীৰো আদেশ পালন কৰা দেখা যোৱা নাই। আজি ছমাহ পাৰ হলহি কিন্তু এতিয়াও সেই কামটো হৈ উঠা নাই।

অথচ আজি যি সময়ত দুখীয়া খেতিয়কৰ সা-সজুলীৰ লগত এই ভেটেৰীনাৰী বিভাগটো ওতঃ পোতঃ ভাৱে জৰীত কিয়নো প্ৰতি জন খেতিয়কক আজি গৰু-ছাগলী অত্যন্ত দৰকাৰ যি সময়ত ভেটেৰীনাৰী বিভাগটো আজি নিৰৱ আৰু বেমেজালিৰে ভৰি পৰিছে। বুদ্ধিমান লোক সকল অত্যন্ত দুষ্টালি কৰি এনেবিলাক কামত সদায়েই হস্তক্ষেপ কৰি আছে কিন্তু এনে সময়ত যদি মন্ত্ৰী বা সদস্যই যদি চেক দিব নোৱাৰে বা একশ্যন দিব নোৱাৰে তেতিয়াহলে তেওঁলোকে গাদী এৰি দিয়াই ভাল। এনেধৰণে গণতন্ত্ৰ কেতিয়াও বৰ্ত্তি থাকিব নোৱাৰে। মন্ত্ৰী আৰু এই সদস্য সকলে চৰকাৰৰ এনেবিলাক প্ৰশাসন যন্ত্ৰৰ কাৰ্য্যকলাপৰ প্ৰহৰী হিচাবে থাকিব লাগে তাত পুতলাৰ নিচিনা-কৈ থাকিলে চৰকাৰৰ কোনো কামতে নাহিব। তেওঁলোকে আমাৰ অসমৰ ডেৰ কোটি মানুহৰ আশা-আকাংশা কেতিয়াও পুৰণ কৰিব নোৱাৰে।

আজি শিক্ষা বিভাগৰ কথা কবলৈ যাওঁতে বহুতো সদস্যই নানা ভাৱে চৰকাৰৰ কাৰ্য্যকলাপক প্ৰশংসা কৰিছে কিন্তু প্ৰকৃত পক্ষে কাম একো হোৱা নাই। উদাহৰণ স্বৰুপে মই কব খুজছোঁ যে আজি বিভিন্ন ঠাইত স্কুল কলেজৰ নামত, স্কুল কলেজৰ বিল্ডিংৰ নামত চৰকাৰৰ পৰা গ্ৰাণ্ট পাই আছে কিন্তু তাত কোনো ধৰণৰ স্কুল বা কলেজ বা শিক্ষক লৰা ছোৱলী ইত্যাদি একোৱেই নাই, এনেধৰণে টকা-পইচা বিলাক ভাগবতৰা হৈ আছে। এইবিলাক সচাকৈয়ে একোটা 'ফেন্টাচীৰ কথা, মই এই বিষয়ে নানা ধৰণৰ উদাহৰণ ডাঙি ধৰিব পাৰো। এনেবিলাক কথাৰ প্ৰতি চৰকাৰ সজাগ হোৱা-টো দৰকাৰ।

কিন্তু আনফালে হৈছে কি ? আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ মেল মিটিং বিলাকত প্ৰায়ে ভেম্পায়াৰ পখীৰ কথা উদাহৰণ দিছে। সেই ভেম্পায়াৰ পখীয়ে এফালে তাৰ পাখিৰ ছাঁ দি আনফালে কোনেও গম নোপোৱাকৈ ৰক্ত শুহি থাকে। থিক সেইদৰে আমাৰ শাসণ ব্যৱস্থাটোৱেও ৰক্ত শুহি খাই আছে। সেইটো আমাৰ সাধাৰণ নিৰক্ষৰ মানুহ বিলাক গম নেপায়। শিক্ষাৰ ক্ষেত্ৰত গোৱালপাৰা জিলাৰ কথাকে কওঁ। তাত এটা এটা পঞ্চায়তত ১৬ হেজাৰৰ পৰা আৰম্ভ কৰি ২২।২৪ হাজাৰ পৰ্য্যন্ত মানুহ আছে। তাত যিবিলাক গাওঁ পঞ্চায়তত ভাগ ভাগ কৰিছে সেই বিলাকত ,এনালাইচিছ' কৰিলে দেখা যায় যে, অ, বি, চি, মুছলমান বা সমাজৰ অন্যান্য পিছপৰি থকা মানুহ খিনিক ৰাজনৈতিক মেৰপাকত সোমোৱাই কাম কৰিছে। তাত দেখা যায় যে, কোনেটো গাওঁ পঞ্চায়তত কৰবাত এখন .ডেফিচিত' ০ হাইস্কুল আছে, কৰবাত দুখন আৰু কৰবাত বা একেবাৰে নাই ইত্যাদি দেখা গৈছে। কিন্তু সেই দৰে যদি শিৱসাগৰ বা কামৰূপ জিলাৰ কথা চোৱা হয় তাত যি কেইখন গাওঁ পঞ্চায়ত আছে তাৰ প্ৰত্যেকতে অন্তত: একোখনকৈ হলেও হাইস্কুল আছে। যোৱা ৫ বছৰে গোৱাল পৰীয়া ৰাইজে নানান চিঞৰি আছে কিন্তু তাত হাইস্কুলৰ সংখ্যা বঢ়া নাই। উদ্যোগৰ ক্ষেত্ৰতো কোনো ধৰণৰ উন্নতি হোৱা নাই। দুখীয়াৰ উন্নতি হোৱা নাই। দুভিক্ষত মানুহ মৰিয়েই আছে প্ৰেচিডেণ্ট শ্ৰীফকৰুদ্দিন আলি আহমদ চাহাবে আৰু শ্ৰীদেৱকান্ত বৰুৱাদেৱে অসমৰ উন্নতি হোৱাৰ কথা কৈছে যদিও অসমৰ লাখ লাখ মানুহ আজি মৃত্যুৰ কৱলতেই আছে। গোৱালপাৰাৰ পৰাই আজি অসম মন্ত্ৰী সভাত চাৰিজনকৈ মন্ত্ৰী আছে কিন্তু থকা স্বত্বেও তাৰ গাওঁ পঞ্চায়ত লেভেলত এখন হাইস্কুল নাই। স্কুল আছে যদিও তাত চাল নাই বা অন্যান্য যাৱতীয় সা-সজুলি আদি নাই। তথাপিও তাত গ্ৰাণ্ট আদি লোৱাৰ উদাহৰণ আছে। এই বিলাক কেনেকৈ হৈ আছে সেইবিলাক কথা আমাৰ চৰকাৰে তথা শিক্ষা মন্ত্ৰীয়ে গভীৰ ভাৱে চিন্তা কৰি চোৱা উচিত বুলি আমি ভাবোঁ। যি বিলাক কু-চক্ৰৰ কাৰণে এই সাধাৰণ মানুহ বিলাক শোষিত হৈ আছে সেইবিলাকৰ মূলোচ্ছেদ কৰাৰ কাৰণে যদি আমাৰ চৰকাৰে চায় তেতিয়াহলেহে ৰাইজে চৰকাৰক ভাল বুলি ভাবিব। দুৰ্নীতিৰ পৰাও ৰাইজে ৰেহাই পাব।

মাননীয় উপাধ্যক্ষ :— আপুনি যিমান পাৰে শেষ কৰিবলৈ চেষ্টা কৰিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— মই শিক্ষাৰ ক্ষেত্ৰত আৰু অলপ কম বুলি ভাৱিছিলোঁ কিন্তু এতিয়া আৰু নকওঁ বাৰু। তথাপিও এটা কথা উল্লেখ বিছাৰিছোঁ আৰু সেইটো হৈছেযে, আমাৰ শিক্ষাৰ ক্ষেত্ৰত 'ট্ৰেইন্দ টিচাৰ'ৰ অভাৱ। শিক্ষক সকলক ট্ৰেইনিং দিবৰ কাৰণে গ্ৰুপ হিচাবে পঠাইছিল যদিও আজি দুইবছৰ হল তেওঁবিলাকে কোনো ষ্টাইপেণ্ড পোৱা নাই। অথচ ষ্টাইপেণ্ড নাই। সেই ষ্টাইপেণ্ড কত আতক হল কব নোৱাৰোঁ।

তাৰ পিছত অলপ উদ্যোগৰ কথা কওঁ। এই ক্ষেত্ৰত কব লগা বহুতো আছিল যদিও সংক্ষেপেহে কম কিয়নো সময়ৰ অভাৱ। পৃথিবীৰ অন্যান্য উন্নত দেশ বিলাকৰ লগত ৰিজাই চালে দেখা পোৱা যায় যে আমাৰ দেশত কোনো 'ডেফিনাইট প্লেন প্ৰগামলৈ কাম কৰা নহয়। হাজাৰ হাজাৰ ল'ৰাই বছৰি বছৰি স্কুল-কলেজৰ শিক্ষা সাংকৰি শিক্ষিত হৈ ওলাই আহিছে কিন্তু ওলাই অহাৰ পিছত তেওঁবিলাকক কেনেকৈ অৰ্থকৰী লাইনত উপযুক্ত কৰি কেনেকৈ সংস্থান দিব লাগিব তাৰ হলে কোনো ব্যৱস্থা বা প্লেন এষ্টিমেট আমাৰ চৰকাৰৰ ফালৰ পৰা কৰা নহয়। এই শিক্ষিত লোকসকলক 'ইউটিলাইজ' কৰাৰ কাৰণে কোনো ব্যৱস্থা আমাৰ চৰকাৰে কৰা নাই। নিজৰ ভৰিত থিয় হৈ জীৱিকা আৰ্জিব পৰাৰ শিক্ষা দিয়াৰ ব্যৱস্থা নাই। ড্ৰাইভাৰেই হওঁক বা মেকানিকেই হওঁক তাৰ কাৰণে তৈয়াৰ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব পৰা নাই। অনান্য দেশবিলাকত স্কুল কলেজ আদি সকলোতে 'ডেফিনাটন প্লেন-প্ৰগাম' থাকে আৰু সেইমতেই শিক্ষা সাং কৰিয়েই সেই বিলাক দেশৰ ল'ৰাছোৱালীয়ে নিজৰ নিজৰ জীৱিকাৰ কাৰণে কোনো চিন্তা কৰিব লগা নহয়। আমাৰ ইয়াত কেৱল কিতাপৰ শিক্ষাহে দিয়া হয়। কোনো মানুহকে কোনো 'চিষ্টেমেটিক ট্ৰেইনিং' নিদিয়াকৈ কোনো কামতে নিয়োগ কৰাটো নিয়ম নহয়। আনকি হোটেল আদিতো যত মানুহে নিজৰ পুষ্টি আৰু দেহ ৰক্ষাৰ কাৰণে খোৱা বোৱা কৰে তাতো 'প্ৰিভেন্টিভ' মিজাৰ হিচাবে কোনো লোককে ট্ৰেইনিং আদি নিদিয়াকৈ নিয়োগ কৰাটো কোতিয়াও নিয়ম নাই। ট্ৰেইনিং নহলে চাহ দোকানৰ 'টি-বয়'ও হব নোৱাৰে। অন্য বিলাক উন্নত দেশত এই নিয়ম বিলাক আছে। কিন্তু আমাৰ ইয়াত নাই।

ৰাস্তা-বাট-ঘাটতে লগ পোৱা মানুহ এটাকে কিবা এটা বন্দৱস্তী কৰি চাহৰ দোকানত ৰাখে। ফলত নানান বেমাৰৰ বীজ আদি খোৱা আৰু সেইদৰেই সংক্ৰমিত কৰাহে হয়। বিদেশৰ আৰু ডাঙৰ ডাঙৰ লোক সকল আছে আৰু থাকে চিল্ডৰ পাইন উডত 'ট্ৰেইণ্ড মানুহ ৰখা হয় আৰু সেইদৰে বোম্বাইতো দুই এখন এনেকুৱা ব্যৱস্থাৰ হোটেল আদি আছে যদিও দিল্লীত হলে যথেষ্ঠ সংখ্যক আছে। এনে কৰা মানে 'প্ৰিভেন্টিভ ফৰ হেথ'। এইবিলাকৰ কাৰণে হলে আমাৰ কোনো চিন্তা নাই। কীট-পতঙ্গৰ দৰে মানুহৰ জন্ম হৈছে আৰু সেইদৰেই কীট-পতঙ্গৰ দৰেই মানুহ মৰিছে। তাৰ কাৰণে চৰকাৰে একো চিন্তা নকৰে।

এইবিলাক কথা চৰকাৰে চিন্তা কৰিছেনে? আজি চৰকাৰে চিন্তা কৰিছে পাইন উদ হোটেলৰ কথা। আৰু আমাৰ সৰু সৰু দোকান বিলা-কলৈ চৰকাৰে চিন্তা কৰা নাই। আমাৰ দোকান বিলাকৰ অৱস্থা ইমান বেয়া হৈছে যে, যি কোনো টাইম মতে কেন্সাৰ টিবি আদি হব পাৰে। এই বিলাক কথা চৰকাৰে চিন্তা কৰিছে নে? আজি নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ আছে অথচ চৰকাৰে তাৰ সমাধান কৰিব পৰা নাই। আজি কালি দিপ্লমা নহলে চাকৰি নাপায়। আমাৰ এইদৰে একো উন্নতি হব নোৱাৰে।

মহোদয়, আৰু এটা কওঁ। আমাৰ চৰকাৰে চিনেমাৰ ওপৰত বৰ জোৰ দিছে। প্ৰত্যেকে নিজ নিজ বৈশিষ্ট হেৰুৱাই পেলাই যদি কৃষ্টি সভ্যতা জীয়াই ৰাখিব নোৱাৰে। আমাৰ অসমত নানা ৰকমৰ মানুহ আছে। আজি আমাৰ ট্ৰাইবেল লোক সকলে যি আৰম্ভ কৰিছে সেইটো তেওঁলোকৰ ঐতিহ্য বজাই ৰাখিবৰ কাৰণে কৰা হৈছে। যিখন দেশত ভাত কাপোৰৰ বাবে ইমান টান হৈ পৰিছে তাত কৃষ্টি বজাই ৰখা বৰ টান। আজি কলাৰ নামত কৃষ্টিৰ নামত যিবিলাক টকা পইচা খৰচ কৰা হৈছে চাব লাগিব যাতে সেই টকাৰ অপব্যয় নহয়। আজি মইও মোৰ নিজৰ ভাষা প্ৰকাশ কৰিব পৰা নাই। দুটা কথা নিজৰ ভাষাৰে কব পৰা নাই। প্ৰত্যেক জাতিৰে নিজ ভাষা আছে, সভ্যতা আছে। আজি শংকৰদেৱে ভাষা কৰিছে, কৃতিত্ব জীয়াই ৰাখিছে।

মাননীয় উপাধ্যক্ষ:— চমু কৰক

মহোদয়, মই মাত্ৰ এটা কথা কবলৈ বিচাৰিছো যে' আমাৰ মনিটেৰি চাৰভিচিং চেলৰ সম্পৰ্কত কব বিচাৰো যে, এইটো অতি গুৰুত্বপূৰ্ণ কথা।

The cell has also started preparing a shelf of projects with the help of the different Departments like Agriculture, Animal Husbandry, Fisheries; Irrigation etc. so that these could be available readily to the cultivators for taking full advantage of the long-term and medium-term credit facilities offered by the financial institutions.

আজি যিসকল গাৱৰ লিখা পঢ়া নজনা লোকক টকা লন দিয়া হৈছে তেওঁলোকে টকাৰ সদ ব্যৱহাৰ কৰিব নোৱাৰা কাৰণে নিয়মিত সময়ত সেই লনৰ টকা পৰিশোধ কৰিব নোৱাৰে আৰু ফলত মাটিবাৰী নিলামত যায়। এই ক্ষেত্ৰত বহুতো মানুহ দিফলটাৰ হৈছে। গতিকে এই দুৰ্বল মানুহ বিলাকক টকা দি টকাৰ অপব্যৱহাৰ কৰাতকৈ, যি মানুহে টকাৰ সদ ব্যৱহাৰ কৰিব পাৰে তাকহে টকা দিব লাগে। শেষত মই পি, দব্লিউ, বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি কব বিচাৰো যে,

অধ্যক্ষ :—আপুনি শেষ কৰক।

শ্ৰীকবিৰ ৰায় প্ৰধানী :—ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

Shri Mal Chandra Pegu :—

Mr. Deputy Speaker, Sir, I thank the Hon'ble Chief Minister for having presented a balanced budget before this House and this is the only balanced budget after a lapse of about 12 years. Sir, inspite of the heavy floods last year people could produce about 18.44

lakhs tones of rice and if there was no flood I think they could have produced more rice but the Hon'ble Members in the Opposition have levelled charge against the Government that the Govt. failed to produce the quantity or rice required. Sir, whatever good has been done by the Government for the people has not been mentioned by the Hon'ble Members in the Opposition and they are simply making wild allegations against the Government. They have left the main points and have simply brought wild allegations against the Government for not fulfilling the desired object.

Sir, I want to deal with the problems facing the tribal people of the State. Sir, our Government has been doing a lot for the all round development of the Tribal people. But in spite of that Government has to do a lot for the development of the tribal people. However, Government also ensured the Tribal people that it would try its level best to fulfil all the demands of the tribal people for their development. Sir, although the problems which are facing the Tribal people look to be negligible I think, this should not be taken as such. Now for the information of the House I want to read out a handbill circulated by the All Assam Tribal Sangha, 1975. Sir, I am afraid, this Demand Day might culminate into another movement. Government should try to solve the problems at an early date. Their demands are written in Assamese. ( at this stage the power failed )

Mr. Deputy Speaker :—As there is no possibillity of revival of power the House stands adjourned till 10 A.M. tomorrow the 6th March, 1975.

## ADJOUNMENT.

The House then Adjourned at 4-55 p.m.

Dispur

5-3-1975

P. D. Barua,

Secretary, Legislative

Assembly.